# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 11-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

----------------------------

ৰাজ্যৰ বিভিন্ন ঠাইত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উপৰি দিল্লী, মুম্বাই, কলকাতা আৰু অৰুণাচল প্ৰদেশতো বৰ্ণাঢ্য কাৰ্যসূচীৰে শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ আয়োজন কৰা হৈছে। বিশ্ববন্দিত শিল্পীগৰাকীৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনাই অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪ টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব।

প্ৰধানমন্ত্ৰীয়ে অহা ১৪ ছেপ্তেম্বৰত  নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৩ ছেপ্তেম্বৰৰ শনিবাৰৰ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। জ্যেষ্ঠ সাংবাদিক আৰু ৰাজনৈতিক বিশ্লেষকে অংশগ্ৰহণ কৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণীৰ আইজল আৰু ইম্ফলৰ সংবাদদাতা দুগৰাকীও টেলিফোনযোগে সংযুক্ত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানী সংযোগ বিষয়ক সমস্ত বিষয়সমূহ পৰীক্ষা কৰাৰ বাবে গঠন কৰা বিশেষ তদন্ত গোট চমুকৈ এছ আই টিয়ে কালি সন্ধিয়া  মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। তাৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰীত অসম কেবিনেটে এজন পাকিস্তানী নাগৰিক আলী টৌকিৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ ভাৰত বিৰোধী কাৰ্যকলাপৰ বাবে বিশেষ তদন্ত গোট গঠন কৰিছিল বুলি প্ৰকাশ কৰে। তদন্তত উন্মোচন হোৱা তথ্য অনুসৰি জাতিৰ সাৰ্বভৌমত্বক ক্ষতিগ্ৰস্ত কৰাৰ বাবে এক বৃহৎ ষড়যন্ত্ৰ পোহৰলৈ আহিছে। তেওঁ লগতে উল্লেখ কৰে যে আলী টৌকিৰ শ্বেখৰ কাৰ্যকলাপৰ সৈতে এগৰাকী বৃটিছ্ নাগৰিক জড়িত হোৱাৰ কথা স্পষ্ট হৈছে আৰু যিগৰাকীয়ে এগৰাকী ভাৰতীয় সাংসদৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছে। তদন্তত পাকিস্তান চৰকাৰৰ গৃহ মন্ত্ৰ্যালয়ে এজন ভাৰতীয় সাংসদক পাকিস্তান ভ্ৰমণৰ বাবে কেনেদৰে সুবিধা কৰি দিছিল সেই কথাও স্পষ্ট হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসম চৰকাৰে বিশেষ তদন্ত গোটৰ প্ৰতিবেদন

বিশেষভাৱে পৰীক্ষা কৰি ৰাজ্যিক কেবিনেটৰ সন্মুখত দাখিল কৰাৰ পাছতে কেবিনেটত বিষয়টো সন্দৰ্ভত আলোচনা কৰা হ'ব আৰু তথ্যসমূহ ৰাজহুৱা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

ডিমা হাচাওত কেঁকো সাপৰ এবিধ নতুন প্ৰজাতিৰ সন্ধান পোৱা গৈছে। এই প্ৰজাতিবিধক ৰাজ্যৰ বন বিভাগৰ নামত চিৰটোড্যাক্টাইলাছ বনৰক্ষকা নামেৰে নামকৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আজি এই কথা প্ৰকাশ কৰে। তেওঁ বন ছহিদ দিৱসৰ লগত সংগতি ৰাখি কেঁকো সাপৰ এই দুষ্প্ৰাপ্য প্ৰজাতিৰ সন্ধানক ৰাজ্যৰ সাহসী বন কৰ্মীসকলৰ বাবে যোগ্য উপহাৰ বুলি অভিহিত কৰিছে।

০০০০০০০

ভূ-বিজ্ঞান আৰু হিমালয় অধ্যয়ন কেন্দ্ৰই অৰুণাচল প্ৰদেশৰ টাৱাঙৰ গেৰিচেন ৰেঞ্জৰ খাংৰি হিমবাহৰ নিৰীক্ষণৰ সময়ত হিমবাহটো ক্ৰমান্বয়ে তাৎপৰ্যপূৰ্ণভাৱে গলিবলৈ ধৰা পৰিলক্ষিত কৰিছে। হিমবাহটোৰ গলনৰ হাৰ বৃদ্ধি পাই এবছৰত প্ৰায় ডেৰ মিটাৰ বৰফ বিগলিত হৈছে বুলি কেন্দ্ৰটোৰ পৰ্যবেক্ষক বিজ্ঞানীসকলৰ অধ্যয়নত প্ৰকাশ পাইছে। ২০১৬ চনৰ পৰা চলিত বৰ্ষলৈকে কৃত্ৰিম উপগ্ৰহৰ ছবিৰ বিশ্লেষণত মাগ্ৰু শ্বু অববাহিকাৰ খাংৰি হিমবাহৰ বাদেও অন্যান্য হিমবাহবোৰ গলি তুষাৰ ৰেখা ক্ৰমাৎ পিছুৱাই যোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত হিমবাহ হ্ৰদৰ সংখ্যা আৰু আকাৰো বৃদ্ধি পাইছে। হিমবাহ হ্ৰদসমূহৰ পৰিবৰ্ধিত জলপৃষ্ঠই অৰুণাচল প্ৰদেশ আৰু ৰাজ্যখনৰ পৰ্বতমালাৰ পৰা বৈ অহা নদীসমূহৰ অববাহিকা অঞ্চলত ভয়াৱহ বান পৰিস্থিতিৰ সৃষ্টি কৰা সম্ভাৱনা আছে। উল্লেখযোগ্য কেন্দ্ৰীয় জল আয়োগৰ শেহতীয়া নিৰীক্ষণ প্ৰতিবেদনত ভাৰতৰ ৪০০ৰো অধিক হিমবাহ হ্ৰদৰ জলপৃষ্ঠ বিপদজনক মাত্ৰালৈ বৃদ্ধি পাইছে। এই ৪০০ হিমবাহ হ্ৰদৰ ভিতৰত ১৯৭টা হ্ৰদ অৰুণাচল প্ৰদেশত আছে। এই হ্ৰদসমূহৰ জলপৃষ্ঠ বৃদ্ধি পোৱা ঘটনা অৰুণাচল প্ৰদেশৰ উপৰি অসমৰ নদী অববাহিকাৰ কাৰণে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ টেঙাখাত ভেকোলাজানৰ নিবাসী সোণোৱাল কছাৰী সাহিত্য সভাৰ সম্পাদক দিগন্ত হাজৰিকাৰ যোৱানিশা উচ্চ ৰক্তচাপজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫১ বছৰ। তেওঁৰ মৃত্যুত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ, সোণোৱাল কছাৰী সাহিত্য সভাকে ধৰি অন্যান্য দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**